**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 11-05-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

---

পাকিস্তানৰ সৈতে কালি হোৱা সংঘৰ্ষ বিৰতিৰ বুজাবুজি কেইবাবাৰো উলংঘা হোৱা বুলি বিদেশ সচিব বিক্ৰম মিশ্ৰিয়ে প্ৰকাশ কৰিছে। নতুন দিল্লীত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত শ্ৰীমিশ্ৰিয়ে কয়, যে সশস্ত্ৰ বাহিনীসমূহে সংঘৰ্ষ বিৰতি উলংঘাৰ সমুচিত আৰু যোগ্য প্ৰত্যুত্তৰ দিছে আৰু নতুন দিল্লী মহলে সংঘৰ্ষ বিৰতি উলংঘনৰ ঘটনাক গুৰুত্ব সহকাৰে লৈছে।

ভাৰতে সংঘৰ্ষ বিৰতি উলংঘাৰ ঘটনা ৰোধ কৰাৰ বাবে উচিত পদক্ষেপ ল'বলৈ আৰু গম্ভীৰতা তথা দায়িত্ব সহকাৰে পৰিস্থিতিৰ সন্মুখীন হ'বলৈ পাকিস্তানৰ প্ৰতি আহ্বান জনাইছে। শ্ৰীমিশ্ৰিয়ে কয়, যে সশস্ত্ৰ বাহিনীসমূহে পৰিস্থিতিৰ ওপৰত সূক্ষ্মভাৱে নজৰ ৰাখি আছে। বিদেশ সচিবগৰাকীয়ে কয়, যে তেওঁলোকক আন্তঃৰাষ্ট্ৰীয় সীমান্ত আৰু নিয়ন্ত্ৰণ ৰেখাত সংঘৰ্ষ বিৰতি উলংঘাৰ দৃঢ়তাৰে সন্মুখীন হ'বলৈ নিৰ্দেশ দিয়া হৈছে। শ্ৰীমিশ্ৰিয়ে কয়, যে পাকিস্তানে সঠিকভাৱে পৰিস্থিতি অনুভাৱন কৰা উচিত আৰু অনুপ্ৰৱেশ বন্ধ কৰাৰ বাবে ততালিকে ব্যৱস্থা গ্ৰহণ কৰা উচিত।

ইয়াৰ পূৰ্বে ভাৰত আৰু পাকিস্তানে কালি তাৎক্ষণিকভাৱে গুলীবৰ্ষণ আৰু সামৰিক অভিযান বন্ধ ৰখাৰ কথা ঘোষণা কৰে। বিদেশ সচিব বিক্ৰম মিশ্ৰিয়ে নতুন দিল্লীত এই কথা ঘোষণা কৰি কয়, যে পাকিস্তানৰ সামৰিক অভিযানৰ সঞ্চালক প্ৰধানে কালি দুপৰীয়াৰ ভাগত সংঘৰ্ষ বিৰতিৰ বাবে আহ্বান জনায় আৰু ইয়াৰ পাছত বিষয়টোলৈ আলোচনা হয়। এই আলোচনাত দুয়োপক্ষই গুলীবৰ্ষণ আৰু সামৰিক অভিযান বন্ধ ৰাখিবলৈ সন্মতি প্ৰকাশ কৰে।

০০০০০০

ৰাজ্যত দুটা পৰ্যায়ত অনুষ্ঠিত হোৱা পঞ্চায়ত নিৰ্বাচনৰ ফলাফল আজি প্ৰকাশ পাব। কিছু সময়ৰ পাছতে ২৭ খন জিলাত একেলগে ভোটগণনা প্ৰক্ৰিয়া আৰম্ভ হ'ব। ৰাজ্যৰ ২৫ হাজাৰ ৭টা কেন্দ্ৰত বেলটযোগে পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত হৈছিল। ২১ হাজাৰ ৯২০ খন গাঁও পঞ্চায়ত, ২ হাজাৰ ১৯১ খন আঞ্চলিক পঞ্চায়ত আৰু ৩৯৭টা জিলা পৰিষদৰ সদস্য পদৰ বাবে নিৰ্বাচন অনুষ্ঠিত হয়। অৱশ্যে আঞ্চলিক পঞ্চায়ত আৰু জিলা পৰিষদৰ একাংশ পদত ইতিমধ্যে বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থীয়ে বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়লাভ কৰিছে। উল্লেখযোগ্য যে এইবাৰ গাঁওপঞ্চায়ত সদস্যৰ বাবে কোনো দলীয় প্ৰাৰ্থী নাছিল। অৰ্থাৎ ৰাজনৈতিক দলৰ প্ৰাৰ্থীৰ সলনি নিৰ্দলীয়ভাৱে প্ৰাৰ্থীসকলে প্ৰতিদ্বন্দ্বিতা আগবঢ়ায়।

ভোটগণনাৰ সময়ত যাতে কোনো অপ্ৰীতিকৰ পৰিস্থিতি নহয় তাৰ প্ৰতি লক্ষ্য ৰাখি জিলা প্ৰশাসনে জিলাই জিলাই নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তুলিছে। ৰাজ্যৰ অন্যান্য প্ৰান্তৰ লগতে ধেমাজি জিলাতো পুৱা ৮ বজাত ভোটগণনা প্ৰক্ৰিয়া আৰম্ভ হ'ব। ধেমাজি মহাবিদ্যালয়ৰ চৌহদ আৰু জোনাই সমজিলাৰ কাৰ্যালয়ত ভোটগণনা প্ৰক্ৰিয়া চলিব। জিলা প্ৰশাসনে শান্তিপূৰ্ণ ভোটগণনাৰ বাবে ইতিমধ্যে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে। ধেমাজি মহাবিদ্যালয়ৰ চৌহদত ৮টা গণনা কক্ষত ১০ খনকৈ টেবুলত ভোটগণনাৰ ব্যৱস্থা কৰিছে।

লখিমপুৰ জিলা প্ৰশাসনে উত্তৰ লখিমপুৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত ভোটগণনাৰ বাবে সকলো ব্যৱস্থা লৈছে। জিলাখনৰ ১৫খন জিলা পৰিষদ, ৬০ খন আঞ্চলিক পঞ্চায়ত আৰু ৫৭৪ টা ৱাৰ্ড সদস্য পদৰ বাবে হোৱা নিৰ্বাচনৰ ভোটগণনা আজি ১৫টা গণনা কক্ষত কৰা হ'ব। ঢকুৱাখনা সমজিলা কাৰ্যালয় চৌহদতো ভোটগণনাৰ বাবে যাৱতীয় ব্যৱস্থা লোৱা হৈছে।

শিৱসাগৰ সদৰৰ গৌৰীসাগৰ আঞ্চলিক পঞ্চায়তৰ অন্তৰ্গত ৪ খন জিলা পৰিষদৰ বাবে আজি ভোটগণনা কৰা হ'ব। ইয়াৰ বাবে শিৱসাগৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত যাৱতীয় প্ৰস্তুতি সম্পূৰ্ণ হৈছে।

মাজুলী জিলাতো ৫ টা ৰাউণ্ডত ভোটগণনা কৰা হ'ব। হোজাই জিলাত ভোটগণনাৰ বাবে ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ ১৬৩ ধাৰাৰ অধীনত নিষেধাজ্ঞামূলক আদেশ জাৰি কৰা হৈছে।

কাছাৰ জিলাৰ শিলচৰৰ ৰামনগৰ আই এছ্ বি টি আৰু আই এছ্ টি টিত ভোটগণনা হ'ব। জিলা প্ৰশাসনৰ সূত্ৰ অনুসৰি ২১টা কক্ষত গণনা কৰা হ'ব। গণনা কাৰ্যত প্ৰায় দুহেজাৰ কৰ্মচাৰী নিয়োগ কৰা হৈছে।

কামৰূপ জিলাত এহেজাৰ ৪৫০ গৰাকী বিষয়াই ভোটগণনা কাৰ্য পৰিচালনা কৰিব। দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ ৭টা কেন্দ্ৰত ভোটগণনা কৰা হ'ব।

০০০০০০

ৰাজ্যৰ শিক্ষা বিভাগে স্নাতক পাঠ্যক্ৰমত নামভৰ্তিৰ বাবে জাননী জাৰি কৰিছে। **সমৰ্থ প'ৰ্টেলৰ** জৰিয়তে শিক্ষাৰ্থীসকলে কাইলৈৰ পৰা চলিত ২০২৫-২৬ বৰ্ষত স্নাতক পাঠ্যক্ৰমত নামভৰ্তি কৰিব পাৰিব। নিৰ্দেশনা অনুসৰি অনা উমৈহতীয়া বিশ্ববিদ্যালয় বাছনি পৰীক্ষা অৰ্থাৎ ন'ন চি ইউ ই টিৰ প্ৰাৰ্থীসকলৰ ক্ষেত্ৰত কাইলৈৰ পৰা ২২ মে'লৈকে আবেদনকাৰীৰ দ্বাৰা পাঠ্যক্ৰম নিৰ্বাচন আৰু শিক্ষানুষ্ঠানৰ দ্বাৰা আবেদনসমূহৰ পৰীক্ষণ প্ৰক্ৰিয়া আৰম্ভ হ'ব। ২৯ মে'ৰ পৰা ১ জুনৰ ভিতৰত প্ৰথমখন মেধা তালিকা প্ৰস্তুত কৰি চূড়ান্ত কৰাৰ লগতে ২ জুনত প্ৰথম মেধা তালিকা প্ৰকাশ পাব। ৪ জুন আৰু ৫ জুনত প্ৰথম মেধা তালিকাত অন্তৰ্ভুক্ত হোৱা ছাত্ৰ-ছাত্ৰীসকলৰ নামভৰ্তিৰ প্ৰক্ৰিয়া আৰম্ভ হ'ব। ৭ জুনত দ্বিতীয়খন মেধা তালিকা প্ৰকাশ পাব। ৯ জুন আৰু ১০ জুনত তালিকাখনত অন্তৰ্ভুক্ত হোৱা শিক্ষাৰ্থীসকলে নামভৰ্তি প্ৰক্ৰিয়া আৰম্ভ হ'ব। ১১ জুনৰ পৰা ১৪ জুনলৈকে থিতাতে নামভৰ্তি প্ৰক্ৰিয়া আৰম্ভ হ'ব। আনহাতে অহা ১ আগষ্টৰ পৰা প্ৰথম ষান্মাষিকৰ শ্ৰেণীসমূহ আৰম্ভ হ'ব। উমৈহতীয়া বিশ্ববিদ্যালয় বাছনি পৰীক্ষা অৰ্থাৎ চি ইউ ই টিৰ জৰিয়তে নিৰ্বাচিত প্ৰাৰ্থীসকলৰ নামভৰ্তি প্ৰক্ৰিয়া ৫ জুলাইৰ পৰা আৰম্ভ হ'ব।

০০০০০০

যোৰহাট জিলা ডবা সন্থাই সোণালী জয়ন্তীৰ বছৰ জোৰা কাৰ্যসূচী ঘোষণা কৰিছে। যোৱা ৯ ফেব্ৰুৱাৰীত আনুষ্ঠানিকভাৱে আৰম্ভ হোৱা এই কাৰ্যসূচীৰ অধীনত অহা ১৬ৰ পৰা ১৮ মে'লৈ সদৌ অসম আন্তঃজিলা ৭ বছৰ, ৯ বছৰ আৰু ১১ বছৰ অনুৰ্ধ্বৰ ডবা প্ৰতিযোগিতা অসম কৃষি বিশ্ববিদ্যালয়ৰ ইন্দোৰ ষ্টেডিয়ামত আয়োজন কৰা কৰা হৈছে। ২০ৰ পৰা ২৮ জুলাইলৈ সদৌ অসম মুকলি মহিলা আৰু ১৩ তথা ১৭ বছৰ অনুধৰ্বৰ ডবা প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। বছৰটোৰ শেষৰ ফালে এখন আন্তঃৰাষ্ট্ৰীয় ফিডেৰেটিং ডবা প্ৰতিযোগিতা আৰু অন্যান্য কাৰ্যসূচীৰ আয়োজন কৰা হৈছে।

০০০০০০

সমাপ্ত